**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। তিনিটি শিশুসহ ৬টা মৃতদেহ উদ্ধাৰক কেন্দ্ৰ কৰি মণিপুৰত পুনৰ উত্তেজনা। মন্ত্ৰী-বিধায়কৰ বাসগৃহত প্ৰতিবাদকাৰীৰ আক্ৰমণ। ইম্ফলত সান্ধ্য আইন জাৰি।

২। দুদিনীয়া ভ্ৰমণসূচীৰে নাইজেৰিয়াত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি আবুজাত ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনা।

৩। গুৱাহাটী আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ পুনৰ অনুষ্ঠিত কৰাৰ বাবে বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতোপন বৰবৰাৰ আহ্বান। **আৰু**

৪। মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ভাৰত আজি জাপানৰ মুখামুখি।

০০০০০০

মণিপুৰৰ জিৰিবাম জিলাৰ পৰা ছদিন পূৰ্বে তিনিটি শিশু আৰু তিনিগৰাকী মহিলা সন্ধানহীন হোৱাৰ পাছত শেহতীয়াকৈ আটাইকেইগৰাকীৰে মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনৰ পৰিস্থিতি পুনৰ জটিল হৈ পৰিছে। শুকুৰবাৰে নিশা আৰু শনিবাৰে মৃতদেহকেইটা নদীত উদ্ধাৰ হোৱাৰ পাছত কালিৰে পৰা মেইটেই লোকৰ প্ৰতিবাদত উত্তাল হৈ পৰিছে ৰাজ্যখনৰ পৰিস্থিতি। একাংশ প্ৰতিবাদকাৰীয়ে কালি ৰাজ্যখনৰ দুজন মন্ত্ৰী আৰু তিনিজন বিধায়কৰ বাসগৃহত আক্ৰমণ কৰাৰ পাছত ইম্ফলত সান্ধ্য আইন জাৰি কৰাৰ লগতে চাৰিখন জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰি ৰখা হৈছে। উল্লেখযোগ্য যে সোমবাৰে নিৰাপত্তাৰক্ষীৰে হোৱা সংঘৰ্ষত ১০ জন সন্দেহযুক্ত কুকি উগ্ৰপন্থী নিহত হৈছিল। একেদিনাই সন্দেহযুক্ত কুকি উগ্ৰপন্থীয়ে তিনিটি শিশুসহ তিনিগৰাকী মহিলাক অপহৰণ কৰাৰ ঘটনা পোহৰলৈ আহিছিল। ইয়াৰ পাছতে অপহৃতসকলৰ মৃতদেহ উদ্ধাৰ হোৱাত তেওঁলোকক নাৱত উঠাই নি কুকি উগ্ৰপন্থীয়ে নদীত পেলাই দিয়াৰ সন্দেহ কৰা হৈছে। কালি শিলচৰ মেডিকেল কলেজ হাস্পতালৰ মৰ্গত থকা ১০ জন সন্দেহযুক্ত কুকি উগ্ৰপন্থীৰ মৃতদেহ মণিপুৰক গতাই দিয়াক কেন্দ্ৰ কৰিও হাস্পতালখনৰ চৌহদত উত্তাল পৰিস্থিতিৰ সৃষ্টি হয়। একাংশ কুকি লোকে মৃতদেহকেইটা পৰিয়ালৰ লোকক চমজাই দিয়াৰ দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে।

ইপিনে মণিপুৰত শান্তি শৃংখলা ঘূৰাই আনিবলৈ সুৰক্ষা বাহিনীসমূহক প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ গৃহ মন্ত্ৰালয়ে নিৰ্দেশ দিছে। মন্ত্ৰালয় এটা বিবৃতিযোগে দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুষ্কৃতিকাৰী হিংসাত লিপ্ত হোৱাৰ ফলত একাংশ নিৰপৰাধী লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে বুলি প্ৰকাশ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত হিংসা অথবা অশূয়াজনিত কাৰ্যকলাপৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰালয়ে

সকীয়াই দিছে। এই সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ গোচৰসমূহ ফলপ্ৰসূ আৰু খৰতকীয়া তদন্তৰ খাতিৰত ৰাষ্ট্ৰীয় তদন্ত সংস্থালৈ হস্তান্তৰ কৰা হৈছে। ইয়াৰ লগতে মন্ত্ৰালয়ে জনসাধাৰণক শান্তি বৰ্তাই ৰাখিবলৈ, কোনো ধৰণৰ উৰা বাতৰিত ভোল নাযাবলৈ আৰু ৰাজ্যখনত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে সুৰক্ষা বাহিনীৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে যোৱা নিশা নাইজেৰিয়াত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হ'ব। বিগত ১৭ বছৰত ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে প্ৰথম নাইজেৰিয়া ভ্ৰমণ কৰা শ্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি তিনুবুৰ সৈতে দুয়োখন দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলাব আৰু দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰিব। নেতা দুগৰাকীৰ মাজৰ এই আলোচনাৰ অন্তত কেইবাখনো চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নাইজেৰিয়াত বাস কৰা ভাৰতীয় মূলৰ লোক সকলৰ এটা সমাৱেশতো ভাষণ দিব।

নাইজেৰিয়াৰ পৰা প্ৰধানমন্ত্ৰী মোদী জি-টুৱেণ্টি শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'লৈ যাব। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইছ ইনাছিঅ' লুলা দ্যা ছিলভাই এই সন্মিলনৰ আঁত ধৰিব। সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গোলকীয় বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-টুৱেণ্টি নতুন দিল্লী ঘোষণাপত্ৰ অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা ভইচ অব দি গ্লোবেল ছাউথ সন্মিলনৰ ফলাফল সম্পৰ্কে আলোচনা কৰিব। জি-টুৱেণ্টি শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰী মোদীয়ে কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। এই ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী পৰহিলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে গায়ানাত উপস্থিত হ'ব।

০০০০০০

ভাৰতৰ যোগাযোগ উপগ্ৰহ GSAT-20 আমেৰিকাৰ উদ্যোগপতি ইলন মাস্কৰ স্পেচএক্সৰ জৰিয়তে মঙলবাৰে আমেৰিকাৰ কেপ কানাভেৰালৰ পৰা উৎক্ষেপণ কৰা হব। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ এছ সোমনাথে প্ৰকাশ কৰা মতে স্পেচএক্সৰ ফেলকন-9 নামৰ ৰকেটটোৰ জৰিয়তে ইছৰোৰ GSAT-20 নামৰ কৃত্ৰিম উপগ্ৰহটো উৎক্ষেপণ কৰা হ'ব। উপগ্ৰহটো ১৪ বছৰলৈকে কাৰ্যক্ষম হৈ থাকিব বুলি আশা কৰা হৈছে। এই উপগ্ৰহটোৰ জৰিয়তে দুৰ্গম অঞ্চলত ইণ্টাৰনেট সংযোগকে ধৰি সমগ্ৰ ভাৰততে যোগাযোগৰ অনান্য গুৰুত্বপূৰ্ণ সেৱা আৰম্ভ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে প্ৰায় ৪,৭০০ কিলোগ্ৰাম ওজনৰ GSAT-20 নামৰ উপগ্ৰহটো ভাৰতৰ অন্যতম গধুৰ যোগাযোগ উপগ্ৰহ হিচাপে চিহ্নিত হৈছে। এই উপগ্ৰহটো ভাৰতৰ নিজা ৰকেট LVM-3য়ে কঢ়িয়াব নোৱাৰাৰ বাবে স্পেচএক্সক উৎক্ষেপণৰ বাবে বাছনি কৰা হৈছিল।

ইয়াৰ পূৰ্বে ভাৰত এনে গধুৰ উপগ্ৰহ উৎক্ষেপণৰ বাবে ফ্ৰান্সৰ এৰিয়ান স্পেচ নামৰ প্ৰতিষ্ঠানটোৰ সৈতে চুক্তিবদ্ধ আছিল। কিন্তু বৰ্তমান প্ৰতিষ্ঠানটোৱে তেনে ৰকেট যোগান ধৰিব নোৱাৰাৰ বাবে স্পেচএক্সৰ সৈতে চুক্তিবদ্ধ হয়।

০০০০০০

অসমত গুৱাহাটী আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ পুনৰ অনুষ্ঠিত কৰিবলৈ বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতোপন বৰবৰাই আহ্বান জনাইছে। চলচ্চিত্ৰ সমালোচকদ্বয়ে কালি এই আহ্বান জনাই কয়, যে চলচ্চিত্ৰ মহোৎসৱসমূহে ছবি নিৰ্মাতা আৰু চিত্ৰৰসিকসকলক দেশ-বিদেশৰ বিভিন্ন ছবিৰ ৰসাস্বাদনৰ সুবিধা দিয়ে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰা দৃষ্টিপাত অনুষ্ঠানত শ্ৰী প্ৰসাদ আৰু শ্ৰী বৰবৰাই অহা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ পূৰ্বালোকন আগবঢ়ায়। এই সন্দৰ্ভত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে এইদৰে কয়-

**বাইট (নয়ন প্ৰসাদ)**

এইবাৰ মহোৎসৱলৈ নিৰ্বাচিত তিনিখন অসমীয়া ছবিয়ে জুৰি আৰু চলচ্চিত্ৰৰসিকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ব বুলি তিনিওগৰাকী আলোচকে আশা প্ৰকাশ কৰে। আনহাতে চলচ্চিত্ৰ মহোৎসৱত ছবি বিপণন সন্দৰ্ভত বিশিষ্ট চলচ্চিত্ৰ সমালোচক বিতোপন বৰবৰাই এইদৰে কয়-

**বাইট (বিতোপন বৰবৰা)**

০০০০০০

ঝাৰখণ্ড বিধানসভাৰ দ্বিতীয় পৰ্যায় আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনলৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত এন ডি এ আৰু ইণ্ডি মিত্ৰজোঁটৰ শীৰ্ষ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত নামি পৰিছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান চলোৱাৰ পাছত দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যখনৰ কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছ আৰু ঝাৰখণ্ড মুক্তি মৰ্চাক কঠোৰ সমালোচনা কৰিছে। ইপিনে **মেৰা বুথ সবছে মজবুত** কাৰ্যসূচীৰ অধীনত মহাৰাষ্ট্ৰৰ বিজেপি কৰ্মীসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে মত বিনিময় কৰি কালি প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে সমাজৰ সকলো শ্ৰেণীৰ সবলীকৰণত গুৰুত্ব আৰোপেৰে মহা মিত্ৰজোঁট চৰকাৰে চলোৱা প্ৰচেষ্টাৰ শলাগ লয়। মহা মিত্ৰজোঁটৰ চৰকাৰৰ প্ৰায় আঢ়ৈ বছৰীয়া শাসন কালত মহাৰাষ্ট্ৰৰ জনসাধাৰণ যথেষ্ট সন্তুষ্ট বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি মুম্বাই, পালঘৰ আৰু পুনেত দলৰ হৈ প্ৰচাৰ চলায়। প্ৰচাৰ কালত তেওঁ কংগ্ৰেছে প্ৰায় ৫০ বছৰ দেশ শাসন কৰা সত্বেও ভাৰতৰত্ন ড০ বি আৰ আম্বেদকাৰক যোগ্য সন্মান দিয়া নাছিল বুলি মন্তব্য কৰে। জাতিগত পিয়ল সন্দৰ্ভত কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সমালোচনা কৰি শ্ৰী সিঙে কয়, যে কংগ্ৰেছ নেতাগৰাকীয়ে এই বিষয়বোৰক লৈ জনসাধাৰণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে আৰু ভোটদাতাসকলক আভুৱা-ভাঁৰাৰ চেষ্টা চলাইছে।

ইপিনে, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন বিত্ত মন্ত্ৰী পি চিদাম্বৰমে মহাৰাষ্ট্ৰৰ অৰ্থনৈতিক পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে। কালি মুম্বাইত এখন সংবাদমেলত ভাগ লৈ শ্ৰী চিদাম্বৰমে কৰ্মসংস্থাপনহীনতাক ৰাজ্যখনৰ আটাইতকৈ গুৰুতৰ বিষয় বুলি অভিহিত কৰে।

ঝাৰখণ্ডতো দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কালি ডুমকা, দেওঘৰ আৰু গিৰিডিহত নিৰ্বাচনী সভাত ভাষণ দি হেমন্ত চোৰেন চৰকাৰে জনজাতীয় লোকসকলক অকল ভোট বেংক হিচাপে গণ্য কৰা বুলি অভিযোগ তোলে। তেওঁ লগতে

ইউ পি এ চৰকাৰৰ দিনত ৰাজ্যখনত জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে পুঁজি আৱণ্টন কৰা নাছিল বুলিও মন্তব্য কৰে।

ইফালে, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি জামতাৰা আৰু খিজ্ৰিত নিৰ্বাচনী সভাত ভাষণ দি বিজেপিয়ে ঝাৰখণ্ডক মাইীআইৰ দৃষ্টিৰে চোৰা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে খনিৰ পৰা লাভ কৰা শুল্কৰ পৰ্যাপ্ত অংশ ৰাজ্যখনক প্ৰদান নকৰা বুলি অভিযোগ কৰে। ০০০০০

০০০০০০

গোষ্ঠী সংঘৰ্ষত অশান্ত মণিপুৰৰ ৬ শিশু, মহিলাৰ নৈত মৃতদেহ উদ্ধাৰ হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে **অস্তিত্বহীন চৰকাৰ ঃ ব্যাপক হত্যা-হিংসাৰে পুনৰ ৰাঙলী হ'ল মণিপুৰৰ ভূমি- নৈত উদ্ধাৰ অপহৃত ৬ শিশু-মহিলাৰ মৃতদেহ,** নিয়মীয়া বাৰ্তা কাকতে **অসম সীমান্তত উদ্ধাৰ ৬ মেইটেই শিশু-মহিলা শৱ,** দৈনিক জনমভূমি কাকতে **বৰাকেদি উটি আহিল মণিপুৰৰ ৬ অপহৃতৰ দেহ,** আমাৰ অসম কাকতে **মণিপুৰৰ জুয়ে দহিছে অসম,** দৈনিক অগ্ৰদূত কাকতে **নৈত উদ্ধাৰ শিশু-মহিলাৰ ৬টা মৃতদহ,** দৈনিক অসম কাকতে **পুনৰ অগ্নিগৰ্ভা মণিপুৰ,** অসমীয়া খবৰ কাকতে **পুনৰ জ্বলিছে অশান্ত মণিপুৰ** শিৰোনামেৰে বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্যা আছাম ট্ৰিবিউন কাকতে Protestors mob houses of MLAs, ministers; curfew in Imphal শীৰ্ষক বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আৰক্ষীৰ বৰ্বৰতাত ৰাজ্যজুৰি ক্ষোভৰ জুই। কটন কলেজৰ ছাত্ৰ তথা ডেলিভাৰী বয় জ্ঞানদীপক অ'চি ভাৰ্গৱ বৰবৰাই কৰা আক্ৰমণৰ ঘটনাটোৰ সৰ্বত্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ হোৱা সন্দৰ্ভত এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে It's time for police to embrace reforms : CM হিচাপে শিৰোনাম প্ৰকাশ কৰিছে। এই সন্দৰ্ভত অ'চি ভাৰ্গৱক গ্ৰেপ্তাৰ, শাস্তি আৰু বৰ্খাস্তৰ দাবীত পাণবজাৰ আৰু বোকাখাট থানাত ভাগে ভাগে গোচৰ ৰুজু কৰাৰ বাতৰিটো প্ৰায়কেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰে মুখৰ হৈ পৰিছে দেশৰ ৰাজধানী। বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনেৰে নতুন দিল্লীত কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে বড়োলেণ্ড মহোৎসৱৰ বিশাল শোভাযাত্ৰা। এই বাতৰিটো অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

তথ্য, জনসংযোগৰ উদ্যোগত গুৱাহাটীত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন। জাতিৰ গুৰুত্বপূৰ্ণ ইছ্যুৰ ক্ষেত্ৰত সংবাদ মাধ্যমে গুৰুত্ব দিব লাগিব- অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়াৰ এই মন্তব্যক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে তৈল ক্ষেত্ৰৰ পি এ এইচ অৱক্ষয়কাৰী ১১টা বেক্টেৰিয়াৰ প্ৰজাতি চিনাক্ত হোৱা সন্দৰ্ভত এটা বাতৰি **তিতাৰৰ পাঁচ গৱষকে পালে ভাৰত চৰকাৰৰ পেটেণ্ট** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মহাৰাণী লক্ষ্মীবাই চিকিৎসা মহাবিদ্যালয়ত মৰ্মান্তিক ঘটনা। সদ্যোজাত জৰুৰী কক্ষত অগ্নিকাণ্ডত জ্বলি ছাই হ'ল ১০ টি নৱজাতক। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – পাঁচ দিনীয়া ভ্ৰমণসূচীৰে জি-২০ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে বিদেশলৈ যাত্ৰা প্ৰধানমন্ত্ৰী মোদীৰ, দৰঙত পি এম কিষাণৰ ২২ হাজাৰ আবেদন পৰীক্ষণত ব্যাপক বিসংগতি, তুলি-টেক্সৰ প্ৰকোপত কাৰ্বি, লাহোৰত প্ৰদূষণ লকডাউন, অনিৰ্দিষ্ট কাললৈ স্কুল বন্ধ- তিনি মাহলৈ নহ'ব বিয়া-বাৰু, উত্তৰপাৰৰ প্ৰথমগৰাকী ই এন চিকিৎসক দ্বিতীয় বিশ্বযুদ্ধ আৰু চীনা আগ্ৰাসনৰ অন্যতম সাক্ষী ডাঃ অম্বিকা প্ৰদাস দত্তৰ বিয়োগ, শিৱসাগৰৰ বিত্তীয় প্ৰতিষ্ঠান লখিমীত চি বি আইৰ অভিযান ইত্যাদি।

এতিয়া পুনৰ ঘূৰি যাও বাতৰিৰ মাজলৈ।

০০০০০০

তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালে যোৱা নিশা তিনিচুকীয়া অসামৰিক চিকিৎসালয় আকস্মিকভাৱে পৰিদৰ্শন কৰি চিকিৎসাকৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। জিলা আয়ুক্তগৰাকীয়ে নিশাৰ ভাগত চিকিৎসা সেৱা কিধৰণে আগবঢ়োৱা হয় তাৰ বুজ লোৱাৰ লগতে চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলক দায়িত্ব সহকাৰে কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়।

০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুত কালিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে কাৰ্বি আংলং দিৱস, ২০২৪ উদযাপন কৰা হৈছে। এই উপলক্ষে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী আয়োজন কৰা হৈছে।

০০০০০০

আয়কৰ বিভাগে বিগত বিত্তীয় বৰ্ষত বিদেশৰ পৰা আয় কৰা বা বিদেশী সম্পত্তি আহৰণ কৰা ভাৰতীয় কৰ দাতা নাগৰিকৰ বাবে আয়কৰ পৰিশোধৰ অন্তিম দিন অহা ৩১ ডিচেম্বৰ ধাৰ্য্য কৰা হৈছে। বিদেশত বেংক একাউণ্ট, অস্থাৱৰ সম্পত্তি আদি থকা ভাৰতীয় কৰদাতা নাগৰিকে আয় কৰৰ আওতাত নপৰিলেও আয়কৰৰ নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি জমা দিব লাগিব।

০০০০০০

আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ড প্ৰৱৰ্তনৰ তিনি সপ্তাহৰ ভিতৰত ১০ লাখৰো অধিক জ্যেষ্ঠ নাগৰিকে এই কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি আয়ুষ্মান বৃদ্ধ বন্দনা কাৰ্ডৰ বাবে নাম পঞ্জীয়ন কৰাসকলৰ ভিতৰত প্ৰায় ৪ লাখ মহিলা আছে। ইয়াৰ ফলত এহেজাৰ ৪০০ গৰাকী মহিলাসহ ৭০ বছৰ আৰু ইয়াৰ ঊৰ্ধৰ ৪ হাজাৰ ৮০০ গৰাকীৰো অধিক জ্যেষ্ঠ নাগৰিক উপকৃত হ'ব। এই কাৰ্ডৰ জৰিয়তে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত মিছনৰ অধীনত বিনামূলীয়া স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰিব পৰা যায়।

০০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। ভাৰতে প্ৰতিযোগিতাত জয়ৰ ধাৰা অব্যাহত ৰাখি কালি চীনক ৩-০ গলত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে চাৰিখন খেলৰ পৰা ১২ পইণ্ট লাভ কৰি সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০০

সমাপ্ত